# অসম জাতীয় বিদ্যালয়

## নুনমাটি, গুৱাহাটী ৭৮১০২০

তাৰিখ : ০৬/০৮/২০১৬

---

## অসম জাতীয় বিদ্যালয়ত ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্যৰ স্মৃতিচাৰণ সভা

নুনমাটি, গুৱাহাটী ৬ আগষ্ট, ২০১৬ : ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য সোঁৱৰণী ন্যাসৰ উদ্যোগত আৰু অসম জাতীয় বিদ্যালয়ৰ সহযোগত ৬ আগষ্ট, শনিবাৰে ভট্টাচাৰ্য্যদেৱৰ ১৯ সংখ্যক স্মৃতি দিৱসৰ লগত সংগতি ৰাখি অসম জাতীয় বিদ্যালয় প্ৰাংগণত কবিতা, গীত আৰু কথাৰে 'পৃথিৱী ন খনিকৰ' শীৰ্ষক এক শ্ৰদ্ধাৰ্ঘ অনুষ্ঠান উদ্‌যাপন কৰা হয়। অনুষ্ঠানৰ শুভাৰম্ভ কৰে বিদ্যালয়ৰ শিক্ষাৰ্থীসকলে পৰিৱেশন কৰা এটি বৰগীতেৰে। অনুষ্ঠানত ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্যদেৱৰ আলোকচিত্ৰৰ সমুখত বন্তি প্ৰজ্জ্বলন কৰে তেওঁৰ সহধৰ্মিনী বিনীতা ভট্টাচাৰ্য্যই। অনুষ্ঠানত মুখ্য অতিথিৰূপে উপস্থিত থকা সাংস্কৃতিক সঞ্চালকালয়ৰ অৱসৰপ্ৰাপ্ত সঞ্চালক বিমল হাজৰিকাই ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্যদেৱৰ জীৱন সম্পৰ্কে আলোকপাত কৰি তেওঁৰ স্বাভিমানী, স্বাধীনতাবাদী, গভীৰ মানৱতাবাদী গুণৰ কথা উল্লেখ কৰে। তেওঁৰ বক্তব্যৰ পাছতেই ডা° ৰাজীৱ ভট্টাচাৰ্য্যই ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্যদেৱৰ দ্বাৰা ৰচিত এটি গীত পৰিৱেশন কৰে। বিশিষ্ট অতিথিৰ বক্তব্যত বিশিষ্ট গীতিকাৰ কীৰ্তিকমল ভূঞাই কয় যে ভট্টাচাৰ্য্যদেৱে অসমীয়া মানুহৰ মন চিনি পাইছিল, দেশৰ বাবে নিজকো ত্যাগ কৰিবলৈ কুণ্ঠাবোধ নকৰিছিল। শিক্ষয়িত্ৰী যুথিকা পাটোৱাৰী পৰিচালনাত শিক্ষক দীপক কোচ আৰু শিক্ষয়িত্ৰী যুথিকা পাটোৱাৰী আৰু বিদ্যালয়ৰ একাংশ শিক্ষাৰ্থীয়ে ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্যদেৱৰ ৰচিত কবিতা পাঠ কৰে। সহধৰ্মিনী বিনীতা ভট্টাচাৰ্য্যই সৰ্বকালৰ মানৱতাবাদী ব্যক্তিৰূপে ড° ভট্টাচাৰ্য্যদেৱক অভিহিত কৰাৰ লগতে তেওঁক সোঁৱৰণ কৰি তেওঁৰ জীৱন বিষয়ক বহুতো বক্তব্য আগবঢ়ায়। বিদ্যালয়ৰ অধ্যক্ষ ঘনশ্যাম মেধি আৰু বিশিষ্ট সংগীত শিল্পী লোকনাথ গোস্বামীয়ে ড° ভট্টাচাৰ্য্যদেৱক সোঁৱৰণ কৰি তেওঁলোকৰ নিজৰ নিজৰ বক্তব্য আগবঢ়ায়। অনুষ্ঠানৰ শেষত জীয়ৰী জুৰি ভট্টাচাৰ্যই অনুষ্ঠান সাফল্যমণ্ডিত কৰাৰ বাবে সকলোকে শলাগৰ শৰাই আগবঢ়ায়। সমগ্ৰ অনুষ্ঠানটিৰ আঁতধৰে বিশিষ্ট আবৃত্তিকাৰ, ঘোষক ডা° অৰণী কুমাৰ চৌধুৰীয়ে।

ঘনশ্যাম মেধি

ঘনশ্যাম মেধি
অধ্যক্ষ
অসম জাতীয় বিদ্যালয়